**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-07-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল কৰে।

২। বাজেটত ৩ লাখ টকা আয়কৰ ৰেহাই ঘোষণা কৰা হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবাৰৰ কেন্দ্ৰীয় বাজেটখনে সমাজৰ সকলো শ্ৰেণীক সৱল কৰি তুলিব আৰু সহায় কৰিব বুলি প্ৰকাশ কৰিছে।

৪। কংগ্ৰেছে বাজেটখনক নিৰাশাজনক আখ্যা দিছে। *আৰু*

৫। ভাৰত মহিলাৰ এছিয়া কাপ টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেটত সকলোৰে বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে ৯টা অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰা হৈছে। এই অগ্ৰাধিকাৰসমূহ হৈছে – উৎপাদনশীলতা আৰু কৃষিৰ স্থিতিস্থাপকতা, কৰ্ম সংস্থাপন আৰু দক্ষতাৰ বিকাশ, সৰ্বাত্মক মানৱ সম্পদ উন্নয়ন আৰু সামাজিক ন্যায়, নিৰ্মাণ আৰু সেৱা, নগৰ উন্নয়ন, শক্তি সুৰক্ষা, আন্তঃগাঁথনি, উদ্ভাৱন, গৱেষণা আৰু উন্নয়ন তথা পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ।

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত বাজেট দাখিল কৰি কৃষি, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, নিৰ্মাণ আৰু আন্তঃগাঁথনি খণ্ডৰ বাবে ভালেমান ব্যৱস্থাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে দুখীয়া, মহিলা, যুৱ প্ৰজন্ম আৰু কৃষকসকল উন্নয়নৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ অন্যতম। শ্ৰীমতী সীতাৰমনে প্ৰধানমন্ত্ৰীৰ কৰ্ম সংস্থাপন আৰু দক্ষতা বিকাশ পেকেজৰ ঘোষণা কৰে। এই পেকেজৰ অধীনত কৰ্ম সংস্থাপনৰ সৈতে জড়িত উদ্গনিমূলক তিনিখন আঁচনিৰ কথা মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। প্ৰথমখন আঁচনিৰ অধীনত সকলো আনুষ্ঠানিক খণ্ডৰ কৰ্ম শক্তি হিচাপে যোগদান কৰা সকলো নতুন ব্যক্তিক এমাহৰ দৰমহা প্ৰদান কৰা হ'ব। দ্বিতীয়খন আঁচনিৰ জৰিয়তে নিৰ্মাণ খণ্ডত কৰ্ম সংস্থাপন সৃষ্টি কৰা হ'ব আৰু তৃতীয়খন আঁচনিৰ জৰিয়তে নিয়োগকৰ্তাসকলক সহায় আগবঢ়োৱা হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে দেশত শক্তিশালী আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে যথেষ্ট বিনিয়োগ কৰা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে মূলধনী ব্যয়ৰ বাবদ ১১ লাখ কোটিৰো অধিক টকা আবণ্টন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই ধন দেশৰ জিডিপিৰ ৩ দশমিক ৪ শতাংশ। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহকো আন্তঃগাঁথনি উন্নয়নৰ বাবে এনেধৰণৰ উন্নয়নমূলক আঁচনি হাতত ল'বৰ বাবে উৎসাহ যোগাইছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমনে লগতে মহিলা আৰু শিশুৰ উপকাৰ সাধন কৰা বিভিন্ন আঁচনিৰ

বাবে ৩ লাখ কোটিৰো অধিক টকাৰ প্ৰস্তাৱ দিয়ে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে অন্ধ্ৰপ্ৰদেশৰ মূলধনী আৱশ্যকতাৰ কথা অনুধাৱন কৰি কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত বহুপাক্ষিক উন্নয়ন সংস্থাসমূহৰ জৰিয়তে বিশেষ বিত্তীয় সহায়ৰ দিহা কৰিব আৰু ৰাজ্যখনৰ বাবে ১৫ হাজাৰ কোটি টকাৰ ব্যৱস্থা কৰা হ'ব। তেওঁ কয় যে বিহাৰৰ নতুন বিমান বন্দৰ, চিকিৎসা মহাবিদ্যালয় আৰু ক্ৰীড়া আন্তঃগাঁথনি বিকশাই তোলা হ'ব। তেওঁ কয় যে মূলধনী বিনিয়োগত সহায় হোৱাকৈ অতিৰিক্ত আবণ্টন দিয়া হ'ব আৰু বহুপাক্ষিক উন্নয়ন বেংকসমূহৰ পৰা বাহ্যিক সহায়ৰ বাবে বিহাৰ চৰকাৰে জনোৱা অনুৰোধ ত্বৰান্বিত কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে বাজেটত তৰুণ শাখাৰ অধীনত মুদ্ৰা ঋণ লাভ কৰা আৰু সফলতাৰে পৰিশোধ কৰা উদ্যমীসকলৰ বাবে ঋণ ধনৰাশি বৰ্তমানৰ ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰে। তেওঁ কয় যে ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বত ই-বাণিজ্য ৰপ্তানি কেন্দ্ৰ স্থাপনৰো প্ৰস্তাৱ দিয়ে। বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমান চৰকাৰে ৫ বছৰত ১ কোটি যুৱক-যুৱতীক শীৰ্ষৰ ৫০০ টা কোম্পানীত ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদানৰ উদ্দেশ্যে এখন সৰ্বাত্মক আঁচনি ৰূপায়ণ কৰিব। একেদৰে ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বত ঔদ্যোগিক কৰ্মীসকলৰ বাবে ডৰ্মিটৰী অৰ্থাৎ সমূহীয়া শয়ন কক্ষত সুবিধা বিশিষ্ট ভাৰাঘৰৰ ব্যৱস্থা কৰা হব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে বাজেটত প্ৰস্তাৱ দিছে। শ্ৰীমতী সীতাৰমনে কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ পূব প্ৰান্তৰ উন্নয়নৰ বাবে ঔদ্যোগিক কৰিড'ৰ স্থাপনত সহায় আগবঢ়াব। চৰকাৰে ঘৰুৱা উৎপাদন আৰু গুৰুত্বপূৰ্ণ খনিজাত সামগ্ৰীৰ পুনৰ্ব্যৱহাৰ্যকৰণৰ বাবে গুৰুত্বপূৰ্ণ খনিজ অভিযান আৰম্ভ কৰিব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ১০ লাখ কোটি টকাৰে ১ কোটি দুখীয়া আৰু মধ্য বিত্ত শ্ৰেণীৰ পৰিয়ালৰ বাসগৃহৰ আৱশ্যকতা পূৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ চতুৰ্থ পৰ্যায় শীঘ্ৰে আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয় যে নাবালক সকলৰ অৰ্থনৈতিক সুৰক্ষাৰ বাবে 'এন পি এছ বাৎসল্য' আঁচনি আৰম্ভ কৰা হ'ব। এন পি এছৰ লগত জড়িত বিষয়সমূহ চালি-জাৰি চোৱাৰ বাবে গঠন কৰা কমিটীখনে এইক্ষেত্ৰত চকুত লগা ধৰণৰ প্ৰগতি লাভ কৰিছে। বিত্তীয় দায়বদ্ধতা আৰু চৰকাৰৰ বিত্তীয় সম্পদসমূহৰ বিবেচনাপূৰ্ণ ব্যৱহাৰ সুনিশ্চিত কৰি শীঘ্ৰেই এটা সমাধান ওলাব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। বাজেটত বেংকিং সেৱাৰ সম্প্ৰসাৰণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত ভাৰতীয় ডাক ধনাদায় বেংকৰ ১০০ ৰো অধিক শাখা স্থাপন কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে কৰ্কট ৰোগীসকলক সকাহ প্ৰদানৰ উদ্দেশ্যে আৰু তিনিবিধ ঔষধক সীমা শুল্কৰ আওতাৰ বাহিৰত ৰখাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সোণ-ৰূপৰ ওপৰত আৰোপিত সীমা শুল্ক ৬ শতাংশলৈ আৰু হীৰাৰ ওপৰত আৰোপিত সীমা শুল্ক ৬ দশমিক ৪ শতাংশলৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে কেতবোৰ বিশেষ বিত্তীয় সম্পদৰ ক্ষেত্ৰত মূলধনী মুনাফাৰ ৰেহাইৰ সীমা বছৰি ১ লাখ ২৫ হাজাৰ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ দিয়ে। ভাৰতীয় ষ্টাৰ্টআপ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে বিত্তমন্ত্ৰীগৰাকীয়ে সকলো শ্ৰেণীৰ বিনিয়োগকাৰীৰ বাবে এঞ্জেল টেক্স বিলুপ্তিৰ প্ৰস্তাৱ দিয়ে। ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত বিত্তমন্ত্ৰীগৰাকীয়ে বাজেটত বিশেষ ঘোষণা কৰিছে। বাজেটত নতুন কৰ ব্যৱস্থাত বেতনভোগী কৰ্মচাৰীসকলৰ বাবে ষ্টেণ্ডাৰ্ড ডিডাকচন ৫০ হাজাৰৰ পৰা ৭৫ হাজাৰলৈ বৃদ্ধি কৰা হৈছে। ৩ লাখ টকা পৰ্যন্ত আয়ৰ ক্ষেত্ৰত কোনোধৰণৰ কৰ প্ৰযোজ্য নহ'ব। ৩ৰ পৰা ৭ লাখ টকা পৰ্যন্ত আয়কৰ ৫ শতাংশ, ৭ৰ পৰা ১০ লাখ টকা পৰ্যন্ত ১০ শতাংশ, ১০ৰ পৰা ১২ লাখলৈকে ১৫ শতাংশ, ১২ৰ পৰা ১৫ লাখলৈকে ২০ শতাংশ আৰু ১৫ লাখ টকাৰ ওপৰৰ আয়ৰ ক্ষেত্ৰত ৩০ শতাংশ হ'ব।

দেউলীয়া গোচৰৰ দ্ৰুত নিষ্পত্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ উদ্দেশ্যে ন্যায়াধীকৰণ সুদৃঢ় কৰাৰ বাবে দেউলীয়া আৰু ঋণ পৰিশোধৰ অক্ষমতা বিধিত প্ৰয়োজনীয় সাল-সলনি কৰা হ'ব। ১ কোটি পৰিয়ালক প্ৰতিমাহে ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ যোগানৰ উদ্দেশ্যে মূধচত সৌৰ প্ৰকল্প স্থাপনৰ বাবে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনা আৰম্ভ কৰা হৈছে। এই আঁচনিখনে ১ কোটি ২০ লাখৰো অধিক পঞ্জীয়ন আৰু ১৪ লাখ আবেদনৰ সৈতে বিপুল সঁহাৰি লাভ কৰিছে।

কেন্দ্ৰীয় বাজেট ২০২৪-২৫ত চৰকাৰে জনজাতি সম্প্ৰদায়ৰ আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাৰ বাবে বিভিন্ন ব্যৱস্থা ঘোষণা কৰিছে। বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছে যে জনজাতীয় সংখ্যাগৰিষ্ঠ গাঁও আৰু জিলাসমূহত চৰকাৰে 'প্ৰধানমন্ত্ৰী জনজাতীয় উন্নত গ্ৰাম অভিযান' আৰম্ভ কৰিব। ইয়াৰ দ্বাৰা ৫ কোটি জনজাতীয় লোক উপকৃত কৰা হ'ব আৰু ৬৩ হাজাৰ গাঁও সামৰি লোৱা হ'ব আৰু ৬৩ হাজাৰ গাঁও সামৰি লোৱা হ'ব।

বিত্তমন্ত্ৰীয়ে গ্ৰাম্য আন্তঃগাঁথনিকে ধৰি গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে ২ দশমিক ৬ - ৬ লাখ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছে। বেংকিং সেৱাৰ সম্প্ৰসাৰণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত ভাৰতীয় ডাক ধনাদায় বেংকৰ ১০০ ৰো অধিক শাখা স্থাপন কৰা হ'ব। বিত্তমন্ত্ৰীগৰাকীয়ে কৈছে যে এই বাজেটত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উৎপাদন তথা শ্ৰমৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছে আৰু এই খণ্ডৰ বাবে বিভিন্ন ব্যৱস্থা ঘোষণা কৰা হৈছে। বিত্তমন্ত্ৰীয়ে লগতে কৈছে যে তৃতীয় পক্ষৰ নিশ্চয়তা অবিহনে যন্ত্ৰ পাতি আৰু সঁজুলি ক্ৰয়ৰ বাবে উদ্যোগীসকলক ঋণ নিশ্চয়তা আঁচনি প্ৰৱৰ্তন কৰা হ'ব। অসম, বিহাৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু ছিকিমলৈ বান ব্যৱস্থাপনা প্ৰকল্পৰ সমৰ্থনত আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়া হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটে সমাজৰ প্ৰতিটো শ্ৰেণীক সৱলীকৰণ আৰু সহায় কৰিব। তেওঁ কয় যে, এই বাজেটখনে গ্ৰামাঞ্চলত বাস কৰা লোকৰ লগতে দুৰ্বল শ্ৰেণী আৰু কৃষকসকলক সমৃদ্ধিৰ দিশত সহায় কৰিব। এটা ভিডিঅ' বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে কৈছে যে, এই বাজেটে যুৱক-যুৱতীসকলক সুযোগ প্ৰদান কৰিব। তেওঁ কয় যে, যোৱা ১০ বছৰত ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা ওলাই আহিছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক অভিনন্দন জনাই কৈছে যে এই বাজেটখনে এখন সমৃদ্ধিশালী আৰু স্বাৱলম্বী বিকশিত ভাৰত গঢ়ি তোলাৰ দিশত আগবাঢ়ি যোৱাত সহায় কৰিব। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৰ্বাঙ্গীন আৰু দ্ৰুতগতিত বাজেটখনে ভাৰতৰ অৰ্থনৈতিক পৰিবৰ্তন ত্বৰান্বিত কৰিব।

০০০০০

পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নিতিন গাডকাৰীয়ে কৈছে যে, এই বাজেটখনে উন্নত আন্তঃগাথনি, উদ্ভাৱন আৰু পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰৰ সৈতে সমৃদ্ধিশালী ভৱিষ্যতৰ পথ প্ৰদৰ্শক হিচাপে কাম কৰিব। তেওঁ কয় যে, বাজেটখনে কৃষিৰ উৎপাদনশীলতাৰ বৃদ্ধি, নিয়োগ আৰু দক্ষতা বৃদ্ধি, মানৱ সম্পদ আৰু সামাজিক ন্যায়ক উন্নীত

কৰাৰ প্ৰতিশ্ৰুতি দিছে। তেওঁ কয় যে, ই উৎপাদন আৰু সেৱা, নগৰ উন্নয়ন, শক্তি সুৰক্ষা আদি ক্ষেত্ৰত অগ্ৰগতি লাভ কৰাত সহায় কৰিব।

ooooo

কংগ্ৰেছে বাজেটখনক সমালোচনা কৰি কৈছে যে, ই নিৰাশাজনক আৰু ইয়াত আয়ৰ অসমানতাৰ কোনো ধৰণৰ সমাধান নাই। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত দলৰ সাংসদ শশী ঠাৰুৰে কৈছে যে, বাজেটত এম জি এনৰেগাৰো কোনো উল্লেখ নাই। অৱশ্যে শ্ৰীঠাৰুৰে বাজেটত এঞ্জেল কৰ বিলুপ্ত কৰাটো আদৰণি জনায়।

সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱেও কেন্দ্ৰীয় বাজেটখনক সমালোচনা কৰি কৈছে যে মুদ্ৰাস্ফীতি আৰু নিবনুৱা সমস্যা সমধানত বাজেটখন ব্যৰ্থ হৈছে। শ্ৰীযাদৱে অভিযোগ কৰি কৈছে যে বাজেটখনত কৃষকৰ বাবে সুনিৰ্দিষ্ট একো নাই। তেওঁ লগতে কয় যে যেতিয়ালৈকে কৃষকৰ সমস্যা সমাধান নহয় আৰু যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপন সুনিশ্চিত নহয় তেতিয়ালৈকে জনসাধাৰণ লাভান্বিত নহ'ব।

শিৱসেনাৰ নেত্ৰী প্ৰিয়ংকা চতুৰ্বেদীয়ে কেন্দ্ৰীয় বাজেটক লৈ প্ৰশ্ন উত্থাপন কৰি কৈছে যে, বাজেটত মহাৰাষ্ট্ৰৰ বাবে একো নাই।

ooooo

উচ্চতম ন্যায়ালয়ে প্ৰশ্নকাকত ফাদিল আৰু অসাধু কাৰ্যক দোহাই দি চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিত ৰাষ্ট্ৰীয় যোগতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট ইউ জি বাতিল কৰিবলৈ অস্বীকাৰ কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা, আৰু মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰপীঠে আজি এইদৰে ৰায় দিয়ে। ন্যায়ালয়ে কয় যে, সমগ্ৰ পৰীক্ষাৰ স্বচ্ছতা প্ৰভাৱিত কৰিব পৰাকৈ ব্যৱস্থাগত ত্ৰুটিৰ বাবে প্ৰশ্নকাকত ফাদিল হোৱা বুলি কোনো প্ৰমাণ নাই। ন্যায়ালয়ে লগতে পৰীক্ষা নতুনকৈ অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিলে ২৩ লাখৰো অধিক শিক্ষাৰ্থীৰ ওপৰত প্ৰভাৱ পৰিব আৰু শিক্ষাসূচী বিঘ্নিত হ'ব বুলি ৰায় দিয়ে। অনাগত সময়তো ইয়াৰ ব্যাপক প্ৰভাৱ পৰিব বুলি বিচাৰপীঠখনে মন্তব্য কৰে।

ooooo

ভাৰত শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে ১ অভাৰ আৰু ৪ টা বলত এটাও উইকেট নেহেৰুৱাকৈ ১০ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

ইয়াৰ পূৰ্বে আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত পাকিস্তানে - সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইক ১০ উইকেটত পৰাস্ত কৰে। পাকিস্তানে ১০৪ ৰাণত বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰ আৰু এটা বলত এটাও উইকেট নেহেৰুৱাকৈ ১০৭ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ আগেয়ে ইউ এ ইয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেটৰ বিনিময়ত ১০৩ ৰাণ কৰে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**